**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-10-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ITBP অৰ্থাৎ ভাৰত-তিববত সীমান্ত আৰক্ষীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে হিম বীৰসকল আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। ঘূৰ্ণীবতাহ ডানাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নৌসেনা বাহিনীয়ে ওড়িশা আৰু পশ্চিমবংগৰ উপকূলত মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য প্ৰদানৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে।

৩। চৰকাৰে সমগ্ৰ দেশতে ডাই এম'নিয়াম ফছফেট চমুকৈ DAP-ৰ নাটনি সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি ভুৱা তথা বিভ্ৰান্তিকৰ বুলি প্ৰকাশ কৰিছে।

৪। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

আৰু

৫। ভাৰত আৰু জাৰ্মানীৰ মাজৰ দুখনীয়া দ্বিদেশীয় শৃংখলাৰ দ্বিতীয়খন খেল আজি বিয়লি নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেশ্যনেল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ITBP অৰ্থাৎ ভাৰত-তিববত সীমান্ত আৰক্ষীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে হিম বীৰসকল আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ কয় যে প্ৰতিকুল পৰিৱেশৰ মাজতো ব্যাপক প্ৰত্যাহ্বান নেওচি সাহস আৰু সমৰ্পনেৰে আই টি বি পিৰ হিম বীৰসকলে জনসাধাৰণক সুৰক্ষা প্ৰদান কৰি আহিছে। তেওঁ লগতে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত আই টি বি পিৰ বিষয়া-জোৱানসকলে চলোৱা উদ্ধাৰ আৰু সাহায্য অভিযানক প্ৰশংসা কৰিছে।

০০০০০০০০০

ঘূৰ্ণীবতাহ ডানাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নৌসেনা বাহিনীয়ে ওড়িশা আৰু পশ্চিমবংগৰ উপকূলত মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য প্ৰদানৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিজ্ঞপ্তিত জানিবলৈ দিয়া অনুসৰি প্ৰস্তুতিৰ অংশ হিচাপে ঘূৰ্ণী বতাহ প্ৰভাৱিত অঞ্চলসমূহত প্ৰয়োজনীয় বস্ত্ৰ, খোৱাপানী, খাদ্য সামগ্ৰী, ঔষধ আৰু জৰুৰীকালীন সাহায্য সামগ্ৰী প্ৰদানৰ বাবে বিশেষ গোটক সাজু কৰি ৰখা হৈছে। ইয়াৰোপৰি প্ৰয়োজন অনুসৰি উদ্ধাৰ আৰু সাহায্য অভিযান চলোৱাৰ বাবে ডুবাৰু দল আৰু দুয়োখন ৰাজ্যৰ উপকূলত দুখন জাহাজ সাজু কৰি ৰখা হৈছে। ঘূৰ্ণী বতাহ ডানাত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰাৰ বাবে সংশ্লিষ্ট বিভিন্ন পক্ষক সাজু কৰি ৰখাৰ লগতে ভাৰতীয় নৌ সেনা বাহিনীয়ে পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে। ইয়াৰোপৰি ডানাৰ প্ৰভাৱ পৰিবলগা অঞ্চলসমূহত হাই এলাৰ্ট জাৰি কৰা হৈছে বুলি মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ডানা নামৰ ঘূৰ্ণীবতাহ জাকে আজি নিশা বা কাইলৈ নিচেই পুৱা ভিটৰকণিকা আৰু ধাম্ৰাৰ মাজত ওড়িশাৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বতাহজাকে খুন্দা মৰাৰ সময়ত প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰ বতাহ বলিব পাৰে বুলি সতৰ্ক কৰি দিছে। বতাহ জাক সম্প্ৰতি ওড়িশাৰ পাৰাদ্বীপৰ পৰা ৪২০ কিলোমিটাৰ আৰু ধাম্ৰাৰ উপকূলভাগৰ পৰা ৪৫০ কিলোমিটাৰ নিলগত আৰু পশ্চিম বংগৰ সাগৰ দ্বীপৰ উপকূল ভাগৰ পৰা ৫০০ কিলোমিটাৰ নিলগত কেন্দ্ৰীভূত হৈ আছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। বতাহ জাকৰ প্ৰভাৱত এই জিলাকেইখনত প্ৰবলতৰ বৰষুণ হ'ব পাৰে। ৰাজ্যখনৰ অন্য ১১খন

জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে। ঘূৰ্ণীবতাহৰ প্ৰভাৱত অসমতো বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হৈ আছে।

০০০০০০০

কংগ্ৰেছ দলে বিহালী সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি জয়ন্ত বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰে। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত কালি মনোনয়ন পত্ৰ দাখিল কৰে।

ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে আজি আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী টানজিল হুছেইনে আজি মনোননয় পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীগৰাকীৰ সৈতে কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু দলৰ আন কেইবাগৰাকীও নেতা উপস্থিত থাকিব।

চিদলী বিধানসভা সমষ্টিৰ বাবে আজি এন ডি এ সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই মনোনয়ন দাখিল কৰিব। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰিছিল।

০০০০০০০

ভাৰতত শিক্ষাৰ ক্ষেত্ৰত ব্যয় চীন আৰু জাপানৰ দৰে দেশতকৈ অধিক বুলি ইউনেস্ক’ৰ এটা প্ৰতিবেদনত প্ৰকাশ পাইছে। প্ৰতিবেদন অনুসৰি মধ্য আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ ঘৰুৱা মুঠ উৎপাদনৰ শতাংশ আৰু চৰকাৰী খৰচতকৈ ভাৰতে শিক্ষাৰ ক্ষেত্ৰত  অধিক ধন ব্যয় কৰিছে। ভাৰতত শিক্ষাৰ প্ৰসাৰৰ বাবে ২০১৫ ৰ পৰা ২০২৪ চনৰ ভিতৰত ঘৰুৱা মুঠ উৎপাদনৰ ৪ দশমিক ১ শতাংশৰ পৰা ৪ দশমিক ৬ শতাংশ নিৰ্ধাৰণ কৰিছে। প্ৰতিবেদন অনুসৰি ভাৰতে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট বিনিয়োগ কৰিছে আৰু ৰাষ্ট্ৰসংঘই নিৰ্ধাৰণ কৰা ২০৩০-ৰ শিক্ষাৰ পৰিকাঠামোৰ আন্তঃৰাষ্ট্ৰীয় মানৰ সৈতে আগবাঢ়িছে, যিটো ৰাষ্ট্ৰসংঘই শিক্ষাৰ ক্ষেত্ৰত দেশসমূহে মুঠ ঘৰুৱা উৎপাদনৰ ৪ৰ পৰা ৬ শতাংশ ব্যয়ৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

০০০০০০০০০

চৰকাৰে সমগ্ৰ দেশতে ডাই এম’নিয়াম ফছফেট চমুকৈ DAP-ৰ নাটনি সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি ভুৱা তথা বিভ্ৰান্তিকৰ বুলি প্ৰকাশ কৰিছে। এটা প্ৰেছ বিজ্ঞপ্তিযোগে ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে যে DAP ৰ ক্ষেত্ৰত ৰাজ সাহায্য একেবাৰে হ্ৰাস কৰা হোৱা নাই আৰু ইয়াৰ সৰ্বোচ্চ খুচুৰা মূল্য ক’ভিডৰ সময়ৰ পৰা প্ৰতি ৫০ কিলোগ্ৰামত এহেজাৰ ৩৫০ টকাকৈ ৰখা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে ইয়াৰ উপৰি ২০২৪-২৫ বৰ্ষৰ বাবে মুঠ বাজেট আবণ্টন ১৪ হাজাৰ ৪৭৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। DAP ৰ উপলভ্যতাত কেইবাটাও ভূ-ৰাজনৈতিক কাৰকৰ প্ৰভাৱ পৰিছে বুলি মন্ত্ৰালয়ে বিবৃতিটোত উল্লেখ কৰে। অৱশ্যে চলিত বৰ্ষৰ ছেপ্তেম্বৰৰ পৰা নৱেম্বৰলৈকে DAP ৰ উপলব্ধতা বৃদ্ধিৰ বাবে সাৰ বিভাগে বিশেষ প্ৰচেষ্টা হাতত লৈছে।

০০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছত জিকি নিউজিলেণ্ডে প্ৰথমে বেট ধৰি আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৫২ অভাৰত তিনিটা উইকেট হেৰুৱাই .১৬৭ ৰান সংগ্ৰহ কৰিছে।

১-০ৰ ব্যৱধানত পিছ পৰি থকা ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে শৃংখলাত প্ৰত্যাৱৰ্তন কৰাৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হৈছে। ভাৰতে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিত হৈছিল।

শৃংখলাৰ বাকী দুখন খেলৰ বাবে অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ভাৰত আৰু জাৰ্মানীৰ মাজৰ দুখনীয়া দ্বিদেশীয় শৃংখলাৰ দ্বিতীয়খন খেল আজি বিয়লি নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেশ্যনেল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব। প্ৰথমখন খেলত ভাৰত কালি জাৰ্মানীৰ হাতত ২-০ গ'লত পৰাজিত হয়। জাৰ্মানীৰ হৈ হেনৰিক মেৰ্টজেনছ আৰু অধিনায়ক লুকাচ উইনফেডাৰে গ'ল দিয়ে।

০০০০০০০০০

আলবানিয়াৰ টিৰানাত অনুষ্ঠিত মল্লযুঁজৰ ২৩ বছৰ অনুৰ্ধৰ বিশ্ব চেম্পিয়নশ্বিপত ভাৰতৰ বিশ্বজিৎ ৰামচন্দ্ৰই আজি ব্ৰঞ্জৰ পদক লাভ কৰিছে। ৫৫ কিলোগ্ৰাম গ্ৰেক' ৰোমান শাখাত ভাৰতৰ বিশ্বজিতে আদম ওলবাছেভক ১৪-১০ ফলাফলত পৰাস্ত কৰে। প্ৰতিযোগিতাত ভাৰতৰ এইটো প্ৰথম পদক। ইয়াৰ পূৰ্বে ভাৰতৰ অঞ্জলিয়ে মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁ ছেমি ফাইনেলত ইটালীৰ অ'ৰ'ৰা ৰুছোক ৪-০ ফলাফলত পৰাস্ত কৰে। আজি নিশা অনুষ্ঠিত হ'বলগা ফাইনেলত অঞ্জলিয়ে ইউক্ৰেইনৰ ছলিমিয়া ভিংকৰ মুখামুখি হ'ব।

০০০০০০০০০

———ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো আজি ভিয়েনা অ'পেন টেনিছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনৰ নীল স্কুপস্কী আৰু নিউজিলেণ্ডৰ মাইকেল ভেনাছৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৪ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। বোপন্না আৰু এবডেনৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত নেডাৰলেণ্ডছৰ ৰবিন হাছে আৰু জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভৰেভৰ যুটীটো ২-৬, ৭-৫, ১০-৫ ছেটত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। কাইলৈ পৰ্যন্ত লাভ কৰা দিহা-পৰামৰ্শসমূহ বিবেচনাযোগ্য হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

**সমাপ্ত**